পাঠ-১৫

# আমাৰ সংবিধান



আজি দিনটো বৰ আনন্দৰ দিন। মিতালীয়ে ৰাতিপুৱা ৫ বজাতে উঠি গা-ধুই বিদ্যালয়ৰ সাজযোৰ পিন্ধি বিদ্যালয়লৈ যাবলৈ সাজু হ'ল। তাই গজপুৰীয়া প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীত পঢ়ে। তাইৰ সহপাঠী কেইগৰাকীমান বিদ্যালয়লৈ যাবলৈ তাইৰ ঘৰত সমৱেত হ'লহি। তেওঁলোক সকলোৰে লগ হোৱাৰ উদ্দেশ্য হ'ল, আজি ২৬ জানুৱাৰী, সেইবাবে বিদ্যালয়ত "গণতন্ত্ৰ দিৱস" উদ্‌যাপন কৰা হ'ব। তদুপলক্ষে ৰাতিপুৱা ৮ বজাত বিদ্যালয়ত জাতীয় পতাকা উত্তোলন কৰা হ'ব। তাৰ উপৰি নানা খেল-ধেমালি অনুষ্ঠিত হ'ব। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকলোৰে আহি বিদ্যালয়ত সময়মতে উপস্থিত হ'লহি। প্ৰধান শিক্ষকে পতাকা উত্তোলন কৰি দিয়া চমু ভাষণত ২৬ জানুৱাৰীৰ দিনটো আমি কিয় "গণতন্ত্ৰ দিৱস" হিচাপে পালন কৰোঁ সেই বিষয়ে ক'লে। প্ৰধান শিক্ষকৰ ভাষণ শেষ হোৱাৰ পিছত বিভিন্ন খেল-ধেমালি, গীত-মাত আদিৰ মাজেৰে বৰ আনন্দৰে দিনটোৰ কাৰ্যসূচী সামৰণি পৰিল।

- ২৬ জানুৱাৰী দিনা কি দিৱস হিচাপে পালন কৰা হয়?
- গণতন্ত্ৰ দিৱসত তোমালোকৰ বিদ্যালয়ত কি কি কাৰ্যসূচী পালন কৰা?

**২৬ জানুৱাৰী দিনটো আমি কিয় "গণতন্ত্ৰ দিৱস" হিচাপে পালন কৰোঁ জানি লওঁ আহা—**

১৯৫০ চনৰ ২৬ জানুৱাৰীৰ দিনা ভাৰতৰ সংবিধানখন কাৰ্যকৰী কৰা হয়। সেইদিনাই আমাৰ দেশক সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য দেশ হিচাপে ঘোষণা কৰা হয়। সেয়েহে ২৬ জানুৱাৰী দিনটো ভাৰতৰ বাবে এটা গুৰুত্বপূৰ্ণ দিন। ১৯৫০ চনৰ পৰা সেই দিনটো দেশে গণতন্ত্ৰ দিৱস ৰূপে পালন কৰি আহিছে। সংবিধানখননো কি তোমালোকৰ জানিবৰ মন নাযায়নে?

**আমাক কিয় এখন সংবিধানৰ প্ৰয়োজন সেই বিষয়ে জানি লওঁ আহা—**

মানুহ সামাজিক জীৱ। সামাজিক জীৱ হিচাপে আমি সকলোৱে কিছুমান নিয়ম-কানুন বা ৰীতি-নীতি মানি চলাটো অতি আৱশ্যক। সময়মতে বিদ্যালয়লৈ যোৱা, খেলপথাৰত নিয়ম মানি খেল

খেলা, সামাজিক অনুষ্ঠানসমূহত বিভিন্ন ৰীতি-নীতি মানি চলা ইত্যাদি। এইবিলাক নিয়ম বা ৰীতি-নীতিসমূহৰ অবিহনে আমাৰ সামাজিক আৰু পাৰিবাৰিক জীৱন অচল হৈ পৰিব। সমাজত নানা বিশৃংখলৰ সৃষ্টি হ'ব। গতিকে সমাজ এখনত ভালদৰে জীয়াই থাকিবলৈ হ'লে আমি সকলোৱে সমাজখনৰ নিয়ম -কানুনবোৰ মানি চলি নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰা উচিত।



ফুটবল খেলৰ নীতি-নিয়ম



বিদ্যালয়ৰ প্ৰাতঃ সভা

আমাৰ দেশখনৰ পৰিচালনাৰ বাবেও কিছুমান নীতি-নিয়ম আৰু আইন-কানুন আছে। এইবোৰে দেশখনৰ নাগৰিকসকলক ৰক্ষণাবেক্ষণ দি আহিছে। দেশ এখনৰ সু-পৰিচালনা আৰু নাগৰিকৰ ৰক্ষণাবেক্ষণৰ বাবে থকা এই নীতি-নিয়ম আৰু আইন-কানুনবোৰকেই সামগ্ৰিকভাৱে **সংবিধান** বুলি কোৱা হয়। গতিকে সংবিধান হ'ল কিছুমান আইন আৰু নীতি-নিয়মৰ সমষ্টি যাৰ নিৰ্দেশমতে দেশ এখনৰ শাসনকাৰ্য পৰিচালিত হয়। সংবিধানক দেশৰ সৰ্বোত্তম আইন বুলিও ক'ব পাৰি।

প্ৰত্যেক স্বাধীন দেশ বা ৰাষ্ট্ৰৰ একোখন নিজস্ব সংবিধান থাকে। আমাৰ দেশ ভাৰতৰো এখন সংবিধান আছে। এই সংবিধানখনত আমাৰ দেশৰ নীতি-নিয়ম আৰু আইন-কানুনসমূহ লিপিবদ্ধ হৈ আছে। এই সংবিধানখন অধ্যয়ন কৰিলে আমি কেনেকৈ শাসিত হওঁ তাক জানিব পাৰোঁ।

**১৯৪৭ চনৰ ১৫ আগষ্টৰ আগেয়ে ভাৰত এখন সম্পূৰ্ণ ৰাষ্ট্ৰ ৰূপে পৰিগণিত হোৱা নাছিল। কাৰণ, তেতিয়া আমাৰ দেশ বৃটিছৰ শাসনৰ অধীনত আছিল। স্বাধীনতা লাভৰ পিছৰ পৰাই ভাৰত এখন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি পায়।**

**এই সংবিধানখন কেনেকৈ প্ৰস্তুত কৰা হ'ল সেই বিষয়ে জানি লওঁ আহা —**



জবাহৰলাল নেহৰু



বিজয়লক্ষ্মী পণ্ডিত


স্বাধীন হোৱাৰ আগৰে পৰা আমাৰ দেশ ভাৰতৰ বাবে এখন নিজা সংবিধান ৰচনা কৰাৰ বাবে চিন্তা-চৰ্চা কৰা হয়। ইয়াৰ বাবে ১৯৪৬ চনত এখন সংবিধান সভা গঠন কৰা হয়। এই সংবিধান সভাই ভাৰতৰ বাবে এখন নিজা সংবিধান ৰচনাৰ কাম আৰম্ভ কৰে। জবাহৰলাল নেহৰু, মৌলানা আবুল কালাম আজাদ, সৰোজিনী নাইডু, বিজয়লক্ষ্মী পণ্ডিত, বল্লভভাই পেটেল আদিৰ দৰে ভালেকেইগৰাকী স্বাধীনতা সংগ্ৰামী, ৰাজনীতিবিদ সংবিধান সভাৰ সদস্য আছিল। এই সভাৰ সভাপতি আছিল ড° ৰাজেন্দ্ৰ প্ৰসাদ।



সৰোজিনী নাইডু



মৌলানা আবুল কালাম আজাদ



ড° ৰাজেন্দ্ৰ প্ৰসাদ



বল্লভভাই পেটেল

১৯৪৭ চনৰ ২৯ আগষ্ট তাৰিখে ড° ভীমৰাও আম্বেদকাৰৰ নেতৃত্বত সংবিধানখন লিখি উলিয়াবলৈ সাতজন সদস্যক লৈ এখন সংবিধান খচৰা কমিটি গঠন কৰি লোৱা হৈছিল। এই কমিটিৰ চৈয়দ মহম্মদ চাদুল্লা অসমৰ প্ৰতিনিধি আছিল।



ড° ভীমৰাও আম্বেদকাৰ

সংবিধান সভাই গঠন কৰি দিয়া খচৰা কমিটিখনে সংবিধানখন ৰচনা কৰি উলিয়াবলৈ প্ৰায় তিনি বছৰ কাল অশেষ পৰিশ্ৰম কৰিছিল। তেওঁলোকে পৃথিৱীৰ বিভিন্ন দেশৰ সংবিধান অধ্যয়ন কৰি লৈছিল। বিভিন্ন আলোচনা আৰু পৰামৰ্শৰ অন্তত আমাৰ দেশৰ সামাজিক আৰু সাংস্কৃতিক পৰিবেশৰ লগত খাপ খোৱাকৈ সংবিধানখন ৰচনা কৰি উলিয়াইছিল। ১৯৪৯ চনৰ ২৬ নৱেম্বৰ তাৰিখে সংবিধান সভাৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে এই সংবিধানখনত চহী কৰে আৰু সংবিধান সভাত এই **সংবিধানখন** গৃহীত হয়।



সংবিধানখন চহী কৰাৰ দৃশ্য

**ভাৰতৰ সংবিধানখন পৃথিৱীৰ ভিতৰতে আটাইতকৈ দীঘলীয়া সংবিধান।**

➤ সংবিধান সভাৰ মহিলা সদস্যা দুগৰাকী কোন কোন আছিল ?

➤ সংবিধান খচৰা কমিটিত থকা অসমৰ প্ৰতিনিধিগৰাকী কোন আছিল ?

**ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাৰ বিষয়ে জানি লওঁ আহা—**




ভাৰতৰ সংবিধানখনৰ আৰম্ভণিতে এটা প্ৰস্তাৱনা আছে। এই প্ৰস্তাৱনাত সংবিধানখনৰ উদ্দেশ্য আৰু লক্ষ্যসমূহৰ বিষয়ে উল্লেখ আছে। ভাৰতৰ সংবিধানৰ সম্পূৰ্ণ প্ৰতিচ্ছবি এই প্ৰস্তাৱনাত প্ৰকাশ পাইছে। উদাহৰণস্বৰূপে— কিতাপৰ পাতনি পঢ়ি যেনেকৈ কিতাপখনৰ বিষয়ে সাধাৰণ আভাস পাব পাৰি, সেইদৰে প্ৰস্তাৱনা পঢ়িও সংবিধান এখনৰ উদ্দেশ্য আৰু আদৰ্শৰ আভাস পাব পাৰি। প্ৰস্তাৱনাত কোনবোৰ দিশত বেছিকৈ গুৰুত্ব দিয়া হৈছে সেই বিষয়ে চমুকৈ আলোচনা কৰোঁ আহা—



- ভাৰতবৰ্ষ এখন সাৰ্বভৌম, গণতান্ত্ৰিক গণৰাজ্য।
- আইনৰ চকুত সকলো নাগৰিক সমান। জাতি, বৰ্ণ, ধৰ্ম, লিংগ, ভাষা আদিক লৈ কোনো বৈষম্য নাথাকিব।
- প্ৰত্যেক নাগৰিকে যিকোনো বিষয়তে মুক্তভাৱে নিজৰ মতামত প্ৰকাশ কৰিব পাৰিব।
- দেশত বাস কৰা সকলো শ্ৰেণীৰ লোকে যাতে জীৱনধাৰণৰ ন্যূনতম সা-সুবিধাৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতি লক্ষ্য ৰখা হ'ব।
- ভাৰতীয় নাগৰিকসকলক সমান সুযোগ দি তেওঁলোকৰ মাজত ভাতৃত্বভাব জগাই তুলিব।

**এখন দেশৰ নাগৰিক বুলিলে সাধাৰণতে সেই দেশখনত জন্ম গ্ৰহণ কৰি স্থায়ীভাৱে বসবাস কৰা একোজন ব্যক্তিক বুজা যায়। নাগৰিক সম্পৰ্কে আগলৈ ভালদৰে জানিব পাৰিবা।**

**জানি লওঁ আহা—**

- ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে ভাৰতবৰ্ষক সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য হিচাপে ঘোষণা কৰা হয়। সেইদিনাৰ পৰাই আমাৰ দেশৰ সংবিধানখন সম্পূৰ্ণভাৱে কাৰ্যকৰী হয়। সেইকাৰণে আমি ১৯৫০ চনৰ পৰা প্ৰতিবছৰৰ ২৬ জানুৱাৰী তাৰিখে "গণতন্ত্ৰ দিৱস" পালন কৰোঁ।
- "সাৰ্বভৌম" শব্দৰ অৰ্থ হৈছে সৰ্বোচ্চ ক্ষমতা থকা বা স্বাধীন। বৰ্তমান আমাৰ দেশ কোনো বিদেশী ৰাষ্ট্ৰৰ শাসনৰ তলতীয়া নহয়।
- "গণতান্ত্ৰিক" শব্দই ইয়াকে বুজাইছে যে ভাৰতৰ জনগণৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিসকলে শাসনকাৰ্য পৰিচালনা কৰে।
- "গণৰাজ্য" শব্দৰ অৰ্থ হৈছে ভাৰত জনগণৰ প্ৰতিনিধিৰ দ্বাৰা শাসিত ৰাষ্ট্ৰ। আমাৰ দেশৰ মূৰব্বীজন বংশানুক্ৰমে হ'ব নোৱাৰে।







উচ্চতম ন্যায়ালয়

ভাৰতৰ সংবিধানত নাগৰিকৰ বাবে কিছুমান বিশেষ সুবিধা উল্লেখ কৰা আছে। সেইবোৰ আমাৰ প্ৰাপ্য আৰু আমি লাভ কৰাটো বাধ্যতামূলক। এই সুযোগ-সুবিধাবোৰ হৈছে আমাৰ অধিকাৰ। যদি কোনোৱে এইবোৰ পোৱাত বাধা দিয়ে তেতিয়াহ'লে তেওঁ আইনমতে দণ্ডণীয় হ'ব পাৰে। এই অধিকাৰৰ জৰিয়তে নাগৰিকক কিছুমান বিষয়ত ৰক্ষণাবেক্ষণ দিয়া হৈছে। এই অধিকাৰসমূহৰ অবিহনে নাগৰিকৰ ব্যক্তিত্বৰ বিকাশ হ'ব নোৱাৰে। ভাৰতীয় সংবিধানৰ দ্বাৰা এনে কিছুমান বিশেষ অধিকাৰ নিৰ্ধাৰণ কৰা হৈছে, যাক **মৌলিক অধিকাৰ** বোলা হয়। এই অধিকাৰসমূহৰ সহায়ত নাগৰিকে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন দিশত সমান সুযোগ-সুবিধা লাভ কৰে।

**সংবিধানে আমাক এনেধৰণৰ ৬ বিধ মৌলিক অধিকাৰ প্ৰদান কৰিছে। সেইবোৰ হ'ল—**



"প্ৰাথমিক শিক্ষা প্ৰতিগৰাকী শিশুৰ মৌলিক অধিকাৰ। এই অধিকাৰ ২০০৯ চনত "শিক্ষাৰ অধিকাৰ আইন"ৰূপে প্ৰচলিত হয়। এই আইন অনুযায়ী ৬ ৰ পৰা ১৪ বছৰ বয়সলৈকে সকলো শিশুৱে প্ৰাথমিক শিক্ষা বাধ্যতামূলক আৰু বিনামূলীয়াকৈ গ্ৰহণ কৰিব পাৰিব।



জাতীয় পতাকাৰ প্ৰতি সন্মান



বৃক্ষৰোপণ



প্ৰাণীৰ যতন

➤ তোমাৰ চুবুৰীত বা বিদ্যালয়ত ওপৰৰ ছবিত দেখুওৱা ধৰণে কামসমূহ কৰা হয়নে?

➤ ৰাষ্ট্ৰীয় সংগীতটো গোৱাৰ সময়ত তোমালোকে কি কি নিয়ম পালন কৰা?

দেশৰ কল্যাণ সাধনৰ বাবে জনসাধাৰণে কেৱল মৌলিক অধিকাৰসমূহ ভোগ কৰিলেই নহ'ব। তাৰ বিনিময়ত ৰাষ্ট্ৰৰ প্ৰতি কিছুমান দায়িত্ব পালন কৰিব লাগিব। তেতিয়াহে তেওঁ প্ৰকৃততে ৰাষ্ট্ৰখনৰ সু-নাগৰিক হোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰিব। সেইবাবে প্ৰতিজন নাগৰিকৰে কিছুমান কৰণীয় থাকে। দেশখনৰ প্ৰতি থকা নাগৰিকৰ এই কৰণীয়সমূহক **মৌলিক কৰ্তব্য** বোলে। যেনে— জাতীয় পতাকাক সন্মান জনোৱা, সকলো জীৱৰ প্ৰতি দয়াশীল হোৱা, হিংসাত্মক কাৰ্য পৰিহাৰ কৰা, গছপুলি ৰুই প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰিবলৈ চেষ্টা কৰা আদি।

**ভাৰতীয় নাগৰিকৰ ১১ টা মৌলিক কৰ্তব্য আছে।**






ওপৰৰ ছবিকেইখনত দেখুওৱা ব্যৱস্থাসমূহ যেনে— হাঁহ-কুকুৰা পালন, পশুপালন, বিশুদ্ধ খোৱা পানীৰ যোগান, চিকিৎসা সেৱা, কুটীৰ শিল্পৰ সম্প্ৰসাৰণ আদি কামবোৰৰ জৰিয়তে আমাৰ কল্যাণ সাধন কৰা হয়। এই কল্যাণমূলক কামবোৰৰ বাবে চৰকাৰে আমাক আৰ্থিকভাৱে সাহায্য প্ৰদান কৰে আৰু কিছু ক্ষেত্ৰত উদ্যগণি যোগায়। ইয়াৰ উদ্দেশ্য হৈছে সমাজত আৰ্থিক বৈষম্য আঁতৰোৱা, দেশৰ লোকসকলৰ মাজত মিলা-প্ৰীতিৰ ভাব জগাই তোলা আৰু আৰ্থিক দুৰৱস্থা দূৰ কৰা আদি। এনেধৰণৰ আৰু বহুতো সুযোগ-সুবিধা দিয়াৰ বাবে সংবিধানত আমাৰ ৰাষ্ট্ৰৰ প্ৰতি কিছুমান নিৰ্দেশ দিয়া আছে। দেশৰ জনসাধাৰণৰ কল্যাণৰ বাবে সংবিধানত সন্নিৱিষ্ট থকা এনে নিৰ্দেশসমূহকে **"নিৰ্দেশনাত্মক নীতি"** বুলি কোৱা হয়। নিৰ্দেশনাত্মক নীতিবিলাকৰ মূল উদ্দেশ্য হৈছে সামাজিক আৰু আৰ্থিক দিশত সমতা স্থাপন কৰি জনসাধাৰণৰ সৰ্বতোপ্ৰকাৰৰ কল্যাণ সাধন কৰা। এই নিৰ্দেশনা মানি চৰকাৰে জনসাধাৰণৰ কল্যাণ আৰু সমৃদ্ধিৰ বাবে কাম কৰা উচিত।

**নিৰ্দেশনাত্মক নীতিসমূহক চাৰিটা ভাগত ভগাই আলোচনা কৰিব পাৰি। সেইবোৰ তলত দিয়া হ'ল—**

(ক) অৰ্থনৈতিক নীতি — পুৰুষ-মহিলা উভয়কে সমান কামৰ কাৰণে সমান মজুৰি দিয়া, মাতৃ আৰু শিশুৰ মংগলৰ বাবে ব্যৱস্থা কৰা ইত্যাদি।

(খ) গান্ধীবাদী নীতি — পঞ্চায়তীৰাজ ব্যৱস্থা কৰা, কুটীৰ শিল্পৰ সম্প্ৰসাৰণ, বনজ-সম্পদ সংৰক্ষণ, গো-পালন ইত্যাদি।

(গ) আন্তঃৰাষ্ট্ৰীয় নীতি — আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বৃদ্ধি কৰা ইত্যাদি।

(ঘ) অন্যান্য — ঐতিহাসিক তাৎপৰ্যপূৰ্ণ ঠাইবোৰ সংৰক্ষণৰ ব্যৱস্থা কৰা ইত্যাদি।

চৰকাৰে শাসন ব্যৱস্থা চলাই যোৱাত এই নিৰ্দেশনাত্মক নীতিসমূহে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

➤ নিৰ্দেশনাত্মক নীতি অনুসৰি দেশৰ জনসাধাৰণৰ বাবে চৰকাৰে আগবঢ়োৱা আন কিছুমান কাম শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা জানি লৈ নিজৰ বহীত তালিকা প্ৰস্তুত কৰা।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) কেতিয়াৰ পৰা ভাৰত এখন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি লাভ কৰে?

(খ) সংবিধান সভাৰ দুগৰাকী সদস্যৰ নাম উল্লেখ কৰা।

(গ) কোন তাৰিখে ভাৰতবৰ্ষক সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য হিচাপে ঘোষণা কৰা হয়?

(ঘ) সংবিধান সভাৰ সভাপতি কোন আছিল?

(ঙ) ভাৰতীয় নাগৰিকৰ কেইটা মৌলিক কৰ্তব্য আছে?

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| সাৰ্বভৌম | নীতি-নিয়মৰ সমষ্টি। |
| গণতান্ত্ৰিক | জনগণৰ দ্বাৰা শাসিত। |
| সংবিধান | সৰ্বোচ্চ ক্ষমতা থকা বা স্বাধীন। |
| নিৰ্দেশনাত্মক নীতি | দেশৰ প্ৰতি সংবিধানৰ নিৰ্দেশনা। |

৩। খালী ঠাই পূৰ কৰা—

(ক) আমি ১৯৫০ চনৰ পৰা প্ৰতি বছৰ ২৬ জানুৱাৰী তাৰিখে ________ হিচাপে পালন কৰোঁ।

(খ) ________ সংবিধানখন অতি দীঘলীয়া সংবিধান।

(গ) ভাৰতবৰ্ষ এখন সাৰ্বভৌম ________ গণৰাজ্য।

(ঘ) প্ৰত্যেক দেশ বা ৰাষ্ট্ৰৰ একোখন নিজস্ব ________ আছে।

(ঙ) ________ চনৰ ________ আগষ্টৰ দিনা ভাৰতে স্বাধীনতা লাভ কৰে।

৪। সংবিধানখনৰ প্ৰস্তাৱনাত কি উল্লেখ আছে?

৫। মৌলিক অধিকাৰ বুলিলে কি বুজা আৰু সেইবোৰ কি কি লিখা।

৬। শিক্ষাৰ অধিকাৰ আইন বুলিলে কি বুজা?

৭। নিৰ্দেশনাত্মক নীতিবিলাকৰ মূল উদ্দেশ্য কি?

৮। নিৰ্দেশনাত্মক নীতিসমূহক কেইটা ভাগত ভগোৱা হৈছে আৰু কি কি লিখা।



পাঠ-১৬

# গাঁও পঞ্চায়ত

আমাৰ দেশ ভাৰত এখন জনবহুল দেশ। ভাৰতৰ সৰহসংখ্যক লোকেই গাঁও অঞ্চলত বাস কৰে। যি দেশৰ সৰহসংখ্যক লোক গাঁও অঞ্চলত বাস কৰে, সেই দেশখনৰ উন্নতি নিৰ্ভৰ কৰে গাঁও অঞ্চলৰ সৰ্বাংগীণ উন্নতিৰ ওপৰত। গতিকে দেশখনৰ বাবে গাঁওসমূহৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশ সাধন কৰাটো অতি আৱশ্যক। গাঁও অঞ্চলৰ বিকাশ সাধনৰ বাবে এক নিজা শাসন ব্যৱস্থা প্ৰচলন হৈ আহিছে। এই শাসন ব্যৱস্থাটোক **পঞ্চায়তীৰাজ শাসন** ব্যৱস্থা বোলে।

এই ব্যৱস্থাৰ অন্তৰ্গত গাঁও অঞ্চলৰ আটাইতকৈ তলৰ পৰ্যায়ত থকা শাসন ব্যৱস্থাটোৱেই হৈছে **গাঁও পঞ্চায়ত**। গাঁও পঞ্চায়তৰ জৰিয়তে সেই পঞ্চায়ত এলেকাৰ অধীনত থকা গাঁওসমূহৰ উন্নয়নৰ বাবে বিভিন্ন কাম কৰা হয়।

**এই পাঠটিৰ জৰিয়তে আমি তেনে এখন গাঁও পঞ্চায়তৰ শাসন ব্যৱস্থাৰ বিষয়ে জানি লওঁ আহা—**



ছবিখনত দেখা সভাখনত কিয় মানুহবিলাক একগোট হৈছে চাওঁচোন আহা-

*১৫ দিন আগতেই নাহৰণি গাঁও পঞ্চায়তৰ ফালৰ পৰা এই সভাখন অনুষ্ঠিত কৰাৰ বাবে ঘোষণা কৰা হৈছিল। সেইবাবে বৰষুণৰ বতৰক নেওচি হ'লেও ফুলবাৰী গাঁৱৰ পুথিভঁৰালৰ প্ৰাঙ্গণত আজি এখন সভা আয়োজন কৰা হৈছে। ৰাতিপুৱা ১০ বজাৰ লগে লগে পঞ্চায়তৰ সভাপতি, সম্পাদক আৰু সদস্যসকলে সভাৰ বাবে উপস্থিত হ'লহি। পিছে মাত্ৰ ৩০ গৰাকীমানহে গাঁৱৰ ৰাইজ উপস্থিত হৈছেহি। কম লোকৰ মাজত আলোচনা বা সিদ্ধান্ত গ্ৰহণত অসুবিধা হ'ব। সভাপতিৰ নিৰ্দেশক্ৰমে ৩০ মিনিট অপেক্ষা কৰা হ'ল। ইতিমধ্যে বৰষুণ কমিল। ১০০ গৰাকীতকৈ অধিক ৰাইজ গোট খালে। তেওঁলোকৰ মাজৰ কেইগৰাকীমান হ'ল বিভিন্ন বিভাগ, বিত্তীয় প্ৰতিষ্ঠান, সংগঠন আদিৰ চৰকাৰী, বেচৰকাৰী বিষয়া। সভা আৰম্ভ হ'ল। প্ৰথমতে যোৱা তিনি মাহত হৈ যোৱা কামৰ বিষয়ে আলোচনা কৰি সভাপতিয়ে ক'লে,— "আমাৰ পঞ্চায়তে বৰ্তমান কৰিবলগীয়া অতি প্ৰয়োজনীয় কামবোৰ কি কি আৰু কেনেকৈ কৰা হ'ব সেই বিষয়ে আলোচনা কৰা হ'ব।" প্ৰথমতে ফুলবাৰী গাঁৱৰ এজন সদস্যই ক'লে যে— 'আমাৰ গাঁৱৰ প্ৰাথমিক বিদ্যালয়খনৰ ঘৰটোৰ অৱস্থা একেবাৰে বেয়া। গাঁৱৰ সৰহসংখ্যক ল'ৰা-ছোৱালী এইখন বিদ্যালয়লৈ পঢ়িবলৈ আহে। গতিকে এই বিদ্যালয় গৃহটো অনতিপলমে মেৰামতি কৰাৰ প্ৰয়োজন আছে। কেইবাজনো সদস্যই কথাষাৰত হয়ভৰ দিলে। এইবাৰ নাহৰণি গাঁৱৰ এগৰাকী মহিলাই ক'লে 'আমাৰ গাঁৱত খোৱা পানীৰ অভাৱ। পৰিষ্কাৰ খোৱাপানীৰ অভাৱত যোৱাবাৰ কেইবাটাও পৰিয়ালৰ লোক গ্ৰহণী ৰোগত বেয়াকৈ আক্ৰান্ত হৈছিল। সেইবাবে গাঁৱখনৰ বাবে অনতিপলমে পৰিষ্কাৰ খোৱাপানীৰ যোগান ধৰিব লাগে। কেইবাজনো সদস্যই কথাষাৰ সমৰ্থন জনালে। এনেদৰে বিভিন্ন সমস্যা আলোচনা হোৱাৰ পিছত সকলোৰে সমৰ্থনত সভাপতিয়ে সিদ্ধান্ত গ্ৰহণ কৰিলে যে— অনতিপলমে ফুলবাৰী গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হ'ব আৰু নাহৰণি গাঁৱৰ খোৱাপানীৰ ব্যৱস্থাৰ কাম হাতত লোৱা হ'ব। সভাপতিৰ নিৰ্দেশক্ৰমে প্ৰস্তাৱ লোৱা হ'ল যে— যিহেতু বৰ্তমান পঞ্চায়তৰ পুঁজিৰ ধনৰ পৰিমাণ কম হ'ব, সেয়েহে চৰকাৰলৈ আৰ্থিক সাহায্যৰ বাবে লিখিব লাগিব। এই কামকেইটাৰ বাবে শিক্ষিত তথা সমাজৰ আগৰণুৱা কেইগৰাকীমান ব্যক্তিক বাছি দি সভাপতিয়ে সেইদিনাৰ বাবে সভাখন সামৰিলে।*

**সভাখনত আলোচনা হোৱা কথাখিনিৰ পৰা কি বুজিলা তলৰ প্ৰশ্ন অনুসৰি উত্তৰ দিয়া—**

- সভাখনত নিৰ্ধাৰিত সময়তকৈ কিমান সময়ৰ পাছত অনুষ্ঠিত হৈছিল?
- সভাত কোন কোন সদস্য উপস্থিত আছিল?
- সভাত কেইখন গাঁৱৰ সমস্যা দাঙি ধৰা হৈছিল?
- সভাত আলোচনা হোৱা সমস্যাকেইটা কি কি?
- গাঁও সভাৰ সভাপতিয়ে কেনেকুৱা ব্যক্তিক কামৰ দায়িত্ব দিছিল?
- সভাখনত কোনে সভাপতিত্ব কৰিছিল?



সিপিঠিত আলোচনা কৰা সভাখনেই হ'ল **গাঁও সভা**। গাঁও সভা হ'ল কোনো এখন গাঁও বা পঞ্চায়ত এলেকাৰ ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত হোৱা সকলো ভোটাৰ ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভা। এই গাঁও সভাৰ জৰিয়তে গাঁৱৰ ৰাইজক পঞ্চায়তৰ বিভিন্ন কাৰ্যত পোনপটীয়াকৈ যোগদান কৰাৰ সুবিধা দিয়া হয়। গাঁৱৰ সৰু-বৰ বিভিন্ন সমস্যা ৰাইজে সমূহীয়াকৈ মিলা-প্ৰীতিৰে সমাধান কৰাৰ বাবে গাঁও সভা এক উৎকৃষ্ট মাধ্যম। গাঁও সভাৰ যোগেদি গাঁওবাসীসকলে গাঁওখনৰ উন্নয়নমূলক ব্যৱস্থাৰ বিষয়ে আলোচনা আৰু সেই অনুসৰি পৰিকল্পনা গ্ৰহণ কৰিব পাৰে।

**জানি লওঁ আহা —**

- গাঁও সভাৰ বৈঠক আহ্বান কৰিবৰ বাবে ১৫ দিনৰ আগতে সভাৰ বিষয়ে প্ৰচাৰ কৰা হয়।
- এখন গাঁও সভা অনুষ্ঠিত হ'বলৈ হ'লে মুঠ ভোটাৰৰ কমেও ১০ শতাংশ বা ১০০ জন মানুহ উপস্থিত থাকিব লাগে। এনে প্ৰয়োজনীয় সংখ্যক সদস্য উপস্থিত থাকিলে সভাখন 'থূল' বুলি কোৱা হয়।
- গাঁও সভাত থূলতকৈ কম মানুহ থাকিলে সভাৰ সভাপতিগৰাকীয়ে ৩০ মিনিট সময় অপেক্ষা কৰিব পাৰে। সেই সময়ৰ ভিতৰতো যদি থূল নহয়, তেনেহ'লে পিছৰটো সপ্তাহৰ একেটা দিনতে নাইবা সেইদিনাৰ পৰা ৭ দিনৰ ভিতৰত সভাৰ পিছৰ বৈঠকৰ বাবে তাৰিখ নিৰ্ধাৰণ কৰিব পাৰে।
- প্ৰতিটো গাঁও পঞ্চায়ত এলেকাৰ ভোটাৰ তালিকাত নাম থকা ব্যক্তিসকলেই গাঁও সভাৰ সদস্য হয়।
- সাধাৰণতে একোখন গাঁও সভাত সেইখন গাঁও পঞ্চায়তৰ সভাপতি বা সভানেত্ৰী আৰু তেওঁৰ অনুপস্থিতিত উপ-সভাপতিয়ে সভাপতিত্ব কৰে।
- গাঁও সভাত সাধাৰণতে বিভিন্ন বিভাগ, বিত্তীয় প্ৰতিষ্ঠান, সংগঠন আদিৰ চৰকাৰী আৰু বেচৰকাৰী লোক উপস্থিত থাকিব লাগে।

গাঁও সভাৰ কাৰ্যসমূহ নিয়াৰিকৈ চলাবলৈ এখন কাৰ্য-নিৰ্বাহক সমিতি থাকে। সাধাৰণতে পঞ্চায়ত বুলিলে এই কাৰ্য-নিবাহক সমিতিখনকে বুজায়। গাঁও পঞ্চায়তে আমাক বিভিন্ন ধৰণে সহায় কৰে।

**গাঁও পঞ্চায়তৰ মূল উদ্দেশ্যসমূহ কি কি জানি লওঁ আহা—**

- গাঁৱৰ জনসাধাৰণে আশা কৰা মতে তেওঁলোকৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশ সাধন কৰা,
- তাৰ উপৰি গাঁৱৰ বাসিন্দাসকলৰ মাজত ঐক্য আৰু সংহতি বজাই ৰখাত উৎসাহ যোগোৱা,
- গাঁও পঞ্চায়তৰ কাম-কাজবোৰ সুকলমে সম্পাদন কৰিবলৈ সভাপতিগৰাকীয়ে গাঁও পঞ্চায়তৰ কাৰ্যালয়ত দুমাহৰ ভিতৰত কমেও এখন সভা অনুষ্ঠিত কৰা,
- গাঁৱৰ স্থানীয় সমস্যাবিলাক সমাধানৰ বাবে ৰাইজৰ অংশগ্ৰহণক আনুষ্ঠানিক ৰূপ দিয়া ইত্যাদি।

**কেতিয়াবা তোমালোকে ৰাইজে ভোট দিবলৈ যোৱা দেখিছানে? নেদেখিলেও ডাঙৰৰ পৰা শুনিছা নিশ্চয়। ভোটাৰ তালিকাত নাম থকা লোকে ভোটদানৰ যোগেদি নিজৰ প্ৰতিনিধিক বাছি দিব লাগে। ইয়াকে ভোট দিয়া বা নিৰ্বাচন বুলি কোৱা হয়। আমাৰ দেশৰ নিয়ম অনুসৰি ওঠৰ বছৰ বয়স পূৰ্ণ হ'লেহে এজন মানুহ প্ৰাপ্তবয়স্ক হয়। প্ৰাপ্তবয়স্ক হ'লেহে ভোট দিয়াৰ অধিকাৰ লাভ কৰে।**



নিৰ্বাচনৰ সুবিধাৰ বাবে প্ৰতিটো গাঁও পঞ্চায়ত এলেকাক ১০ টা আঞ্চলিক **সমষ্টিত** ভাগ কৰি লোৱা হয়। এনে প্ৰতিটো সমষ্টিক **ৱাৰ্ড** বুলি কোৱা হয়। প্ৰতিটো ৱাৰ্ড বা **সমষ্টিৰ** ভোটাৰসকলে **তেওঁলোকৰ সমষ্টিৰ** পৰা এজনকৈ সদস্য নিৰ্বাচন কৰি দিয়ে। গাঁও সভাৰ সদস্যসকলে নিজৰ নিজৰ **সমষ্টিৰ** প্ৰতিনিধি নিৰ্বাচন কৰি গাঁও পঞ্চায়ত গঠন কৰে। নিৰ্বাচিত প্ৰতিনিধিকে গাঁও পঞ্চায়তৰ সদস্য **বোলে**। এই দহোটা সমষ্টিৰ পৰা নিৰ্বাচিত সদস্যৰ বাহিৰেও একোখন গাঁও পঞ্চায়তত একোজন সভাপতি বা সভানেত্ৰী থাকে। গতিকে দেখা যায় যে গাঁও পঞ্চায়ত হ'ল গাঁও অঞ্চলৰ শাসন ব্যৱস্থাৰ এক সংগঠন বা সংস্থা।

**চিন্তা কৰি লিখা**

➢ গাঁও পঞ্চায়তৰ সদস্যৰ সংখ্যা কিমান?

**জনকল্যাণমূলক সংস্থা হিচাপে গাঁও পঞ্চায়তৰ গঠন সম্পৰ্কে জানি লওঁ আহা—**

প্ৰতিখন গাঁও নাইবা ওচৰা উচৰিকৈ থকা দুই-তিনিখন গাঁও লগ কৰি এখন গাঁও পঞ্চায়ত গঠন কৰিব পাৰি। একোখন গাঁও পঞ্চায়ত গঠন হ'বলৈ হ'লে গাঁও পঞ্চায়ত এলেকাৰ ভিতৰত ৬০০০ৰ পৰা ১০০০০ লৈ জনসংখ্যা থকা উচিত। জনসংখ্যা অনুসৰি একোখন গাঁও পঞ্চায়ত এলেকাত এখন বা একাধিক গাঁও অন্তৰ্ভুক্ত থাকিব পাৰে। একোখন গাঁও পঞ্চায়ত গঠন কৰিবলৈ হ'লে তলত উল্লেখ কৰাৰ দৰে ব্যক্তিসকলৰ প্ৰয়োজন। সেইসকল হ'ল—

(ক) সভাপতি বা সভানেত্ৰী ঃ প্ৰতিখন গাঁও পঞ্চায়তৰ অন্তৰ্গত ভোটাৰ বা প্ৰাপ্তবয়স্ক ৰাইজৰ দ্বাৰা প্ৰত্যেক্ষভাৱে নিৰ্বাচিত হয়।

(খ) সদস্য বা সদস্যা ঃ প্ৰতিখন গাঁও-পঞ্চায়তৰ ভোটাৰ ৰাইজৰ দ্বাৰা প্ৰত্যেক্ষভাৱে ১০ গৰাকী সদস্য বা সদস্যা নিৰ্বাচন কৰা হয়।

(গ) উপ-সভাপতি ঃ গাঁও পঞ্চায়তৰ সদস্যসকলৰ মাজৰ পৰা নিৰ্বাচন কৰা হয়।

**চিন্তা কৰি লিখা**

➢ গাঁৱৰ মুঠ জনসংখ্যাতকৈ ভোটাৰৰ সংখ্যা কম কিয়?

➢ প্ৰতিখন গাঁৱতে একোখনকৈ গাঁও পঞ্চায়ত নথকাৰ কাৰণ কি?



**গাঁও পঞ্চায়তৰ কাৰ্যকাল —**

সাধাৰণতে গাঁও পঞ্চায়তৰ কাৰ্যকাল পাঁচ বছৰ। কাৰ্যকাল উকলি যোৱাৰ আগতেই সেই গাঁও পঞ্চায়ত গঠনৰ বাবে প্ৰত্যক্ষভাৱে নিৰ্বাচন অনুষ্ঠিত কৰা হয়।

**গাঁও পঞ্চায়তৰ মুঠ আসনৰ ভিতৰত ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰা থাকে। পঞ্চায়তত অনুসূচীত জাতি আৰু জনজাতিৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা আছে।**

একোখন গাঁও পঞ্চায়তে সেই পঞ্চায়তৰ অধীনত থকা গাঁওসমূহৰ জনসাধাৰণৰ আৰ্থিক বিকাশ তথা সামাজিক ন্যায় সাধনৰ কাম-কাজ কৰিব লগা হয়।

**গাঁও পঞ্চায়তৰ কিছুমান কাম-কাজৰ সম্পৰ্কে জানি লওঁ আহা—**



- গাঁও পঞ্চায়ত এলেকাৰ উন্নয়নৰ বাবে বাৰ্ষিক পৰিকল্পনা প্ৰস্তুতকৰণ।
- গাঁও পঞ্চায়তৰ বাৰ্ষিক বাজেট প্ৰস্তুতকৰণ।
- প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সাহায্য বিষয়ক কাম-কাজ কৰা।
- কৃষি সম্প্ৰসাৰণ, ক্ষুদ্ৰ জলসিঞ্চন, ৰাজহুৱা পুখিভঁৰালৰ ব্যৱস্থা কৰা।
- পশুপালন, গো-পালন, হাঁহ-কুকুৰা পালন, মীন পালন।
- ৰাজহুৱা বাট-পথ আৰু নলা-নৰ্দমা নিৰ্মাণ কৰা, গ্ৰাম্য বাসস্থান, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা ব্যৱস্থা কৰা।
- খোৱা পানীৰ যোগান, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ব্যৱস্থা, বৃক্ষ ৰোপণ আৰু ভূমি সংৰক্ষণৰ ব্যৱস্থা লোৱা।
- খাদী বস্ত্ৰ উৎপাদন আৰু কুটীৰ শিল্পৰ ব্যৱস্থা লোৱা ইত্যাদি।



### জানি লওঁ আহা —

- জাতিৰ পিতা মহাত্মা গান্ধীয়ে গাঁওবাসীৰ নিজা শাসন ব্যৱস্থাক পূৰ্ণ ক্ষমতা প্ৰদান কৰাৰ বাবে পঞ্চায়তীৰাজ ব্যৱস্থাৰ সমৰ্থন কৰিছিল।
- ১৯৯৪ চনত শেহতীয়াকৈ অসম পঞ্চায়ত আইনখন গ্ৰহণ কৰা হয়। এই আইনৰ অধীনত বৰ্তমান আমাৰ গাঁও পঞ্চায়ত শাসন ব্যৱস্থা প্ৰবৰ্তন হৈ আছে।

### দলত আলোচনা কৰি লিখা—

- ➢ গাঁও সভা আমাক কিয় লাগে?
- ➢ তুমি বাস কৰা গাঁও/নগৰ খনৰ নাম কি?
- ➢ গাঁও আৰু নগৰৰ মাজত পাৰ্থক্য কি?



### নগৰ অঞ্চলৰ শাসন ব্যৱস্থা—

গাঁও পঞ্চায়তে যেনেকৈ নিজ এলেকাৰ গাঁওসমূহৰ উন্নয়নৰ বাবে কাম কৰে ঠিক সেইদৰে নগৰ বা চহৰ অঞ্চলৰ উন্নয়নৰ বাবেও কেইটামান অনুষ্ঠান বা নিকায় আছে। সেইকেইটা হ'ল — নগৰ সমিতি, পৌৰ সভা আৰু পৌৰ নিগম। কম জনসংখ্যা থকা নগৰত **নগৰ সমিতি** থাকে। বেছি জনসংখ্যা থকা নগৰত **পৌৰ সভা** আৰু মহানগৰত **পৌৰ নিগম** থাকে।



| নগৰ অঞ্চলৰ নিকায়সমূহ | | জনসংখ্যা | মুৰব্বী | সদস্য/সদস্যা | কাৰ্যকাল | সদস্য/সদস্যাৰ সংখ্যা |
|---|---|---|---|---|---|---|
| ১ | নগৰ সমিতি | ১০ হাজাৰতকৈ কম | সভাপতি | ৱাৰ্ড কমিচনাৰ | ৫ বছৰ | ৭ৰ পৰা ২০ ৰ ভিতৰত |
| ২ | পৌৰ সভা | ১০ হাজাৰতকৈ অধিক | পৌৰপতি | কমিচনাৰ | ৫ বছৰ | ১০ৰ পৰা ৩০ ৰ ভিতৰত |
| ৩ | পৌৰ নিগম | ১ লাখতকৈ অধিক | মেয়ৰ | কাউন্সিলৰ | ৫ বছৰ | ৬০ৰ অধিক হ'ব নোৱাৰে |

**উত্তৰ লিখা—**

- ➢ নগৰ সমিতিৰ সদস্যসকলক কি বোলে?
- ➢ পৌৰ সভা গঠন হ'বলৈ কিমান জনসংখ্যা থকাৰ প্ৰয়োজন?
- ➢ পৌৰ নিগমৰ মুৰব্বীগৰাকীক কি বোলে?



নগৰ সমিতি, পৌৰ সভা আৰু পৌৰ নিগমেও পঞ্চায়তৰ দৰে নিজ নিজ নগৰত উন্নয়নমূলক কাম-কাজবোৰ কৰে।

**নগৰ সমিতি, পৌৰসভা, পৌৰ নিগমৰ মূখ্য কামসমূহ জানি লওঁ আহা —**



- নলা-নৰ্দমা, দলং, ৰাজহুৱা শৌচাগাৰ-প্ৰস্ৰাৱগাৰ, ৰাস্তা-ঘাট আদি নিৰ্মাণ আৰু সংৰক্ষণ কৰা, ৰাস্তা-ঘাটৰ নামকৰণ কৰা।
- সংক্ৰামক ৰোগৰ প্ৰতিষেধক ব্যৱস্থা লোৱা।
- ৰাস্তা-ঘাটত বিজুলী-চাকিৰ যোগান ধৰা।
- বিশুদ্ধ খোৱপানীৰ যোগান ধৰা।
- খেল-পথাৰ, ৰাজহুৱা উদ্যান, পুথিভঁৰাল আদি স্থাপন কৰা।
- মানুহৰ জন্ম-মৃত্যুৰ হিচাপ ৰখা, মৰিশালি, কবৰস্থান আদি নিৰ্মাণ আৰু সংৰক্ষণ কৰা।
- বাট-পথৰ ঠায়ে ঠায়ে ডাষ্টবিনৰ ব্যৱস্থা কৰি ডাষ্টবিনত জমা কৰি ৰখা আৱৰ্জনাসমূহ আঁতৰাই পৰিষ্কাৰ কৰি ৰখা।
- হাট-বজাৰ, কচাই-খানা স্থাপন, ভেঁজাল বস্তু বেচা-কিনা নিষিদ্ধ কৰা।
- অগ্নি-নিৰ্বাপণৰ ব্যৱস্থা লোৱা।
- মাতৃ-মংগল আৰু শিশু-কল্যাণ কেন্দ্ৰ স্থাপন কৰা ইত্যাদি।





১৯৬৯ চনত গুৱাহাটী পৌৰ নিগম আইন প্ৰণয়ন কৰা হয়। এই আইন অনুসৰি ১৯৭৪ চনত গুৱাহাটী পৌৰ নিগম স্থাপন কৰা হয়। বৰ্তমান এই পৌৰ নিগমখন ৬০ টা ৱাৰ্ডেৰে গঠিত।

**ক্ৰিয়াকলাপ**

- ➢ শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকৰ সহায় লৈ লিখা—

তোমাৰ গাঁও/চহৰখনৰ নাম —

তোমাৰ গাঁও পঞ্চায়ত/নগৰ সমিতি/পৌৰ সভা/পৌৰ নিগমৰ সভাপতিৰ নাম —

তোমাৰ অঞ্চলৰ শাসন ব্যৱস্থাটোৰ কাম-কাজসমূহ—

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) কোনে পঞ্চায়তীৰাজ ব্যৱস্থাৰ সমৰ্থন কৰিছিল?

(খ) গাঁও পঞ্চায়তত মুঠ আসনৰ কিমান শতাংশ আসন মহিলাৰ বাবে সংৰক্ষিত?

(গ) ভোটাধিকাৰ পাবলৈ হ'লে কিমান বছৰ পূৰ্ণ হ'ব লাগিব?

(ঘ) শেহতীয়া অসম পঞ্চায়ত আইনখন কোন চনত গ্ৰহণ কৰা হয়?

২। খালী ঠাই পূৰ কৰা —

(ক) গাঁও সভাৰ বৈঠক আহ্বান কৰিবৰ বাবে __________ দিনৰ আগতে সভাৰ বিষয়ে প্ৰচাৰ কৰিব লাগে।

(খ) পৌৰ নিগমৰ কাৰ্যকাল __________ বছৰ।

(গ) একোখন গাঁও পঞ্চায়ত এলেকাত __________ টা আঞ্চলিক সমষ্টি থাকে।

(ঘ) গুৱাহাটী পৌৰ নিগম __________ চনত স্থাপন কৰা হয়।

৩। শুদ্ধ উত্তৰটো বাছি উলিওৱা —

(ক) গাঁও পঞ্চায়তৰ কাৰ্যকাল ৫ বছৰ/৬ বছৰ/৪ বছৰ।

(খ) পৌৰ সভাৰ সদস্য বা সদস্যা গৰাকীক পৌৰপতি/কাউন্সিলৰ/কমিচনাৰ বোলা হয়।

(গ) পৌৰ নিগমৰ সদস্যৰ সংখ্যা ৩০ জন/২০ জন/৬০ জন ৰ অধিক হ'ব নোৱাৰে।

(ঘ) গাঁও পঞ্চায়ত গঠন কৰিবলৈ এলেকাটোত ৬০০০ৰ পৰা ৮০০০/৯০০০/১০০০০ লৈ জনসংখ্যা থকা উচিত।

৪। তলত দিয়া বাক্য কেইটাৰ পৰা অশুদ্ধবোৰ বাচি উলিয়াই শুদ্ধকৈ লিখা—

(ক) গাঁৱৰ সকলো প্ৰাপ্তবয়স্ক পুৰুষ আৰু মহিলাক লৈ অনুষ্ঠিত কৰা সভাখনেই হৈছে গাঁও সভা।

(খ) গাঁও সভাক ১০ টা ৱাৰ্ডত ভাগ কৰা হয়।

(গ) গাঁও পঞ্চায়ত হ'ল সভাপতি আৰু সদস্যসকলক লৈ গঠিত গাঁৱৰ প্ৰশাসনিক সংগঠন।

(ঘ) ১৮ বছৰ পূৰ্ণ হোৱা সকলো প্ৰাপ্তবয়স্ক লোকেই গাঁও পঞ্চায়তৰ সদস্য।

৫। গাঁও পঞ্চায়ত কিদৰে গঠন কৰা হয়?

৬। গাঁও পঞ্চায়তৰ যিকোনো তিনিটা কাম উল্লেখ কৰা?

৭। নগৰ অঞ্চলৰ শাসন ব্যৱস্থাত থকা নিকায়সমূহ কি কি?

৮। গাঁও সভাৰ বৈঠকখন 'থুল' হোৱা বুলি কেতিয়া গণ্য কৰা হয়?

৯। প্ৰতিটো গাঁও পঞ্চায়ত এলেকাক ১০ টা আঞ্চলিক সমষ্টিত ভাগ কৰি লোৱাৰ কাৰণ কি?